RNP/GH-165/2021-2023

অষ্টাদশ বছৰ, দ্বাদশ সংখ্যা, জুলাই ২০২৩

# সাতসৰী

₹ ৪০.০০



Scanned with CamScanner

# সাতসৰী

অষ্টাদশ বছৰ, দ্বাদশ সংখ্যা • জুলাই, ২০২৩

SATSARI
Vol. No.: 18, Issue No. 12 • July, 2023 • Pages : 112
Reg. No. : ASSASS/2011/35776
ISSN: 2319-8893 • Rs.40.00

**প্ৰবন্ধ নিবন্ধ**

ড° হীৰেন গোহাঁই • অসমৰ মধ্যবিত্ত আৰু চহৰবোৰ • ১৮
ড° অৰবিন্দ ৰাজখোৱা • হেমকোষ ঃ এক ঐতিহাসিক পৰিক্ৰমা • ২১
মুনমী দত্ত, পূবালী বৰা • হেমচন্দ্ৰ বৰুৱাৰ ৰচনাত প্ৰকৃতি আৰু বিজ্ঞান-চিন্তা • ২৯
মনিষা চুতীয়া • মণিপুৰৰ হিংসা, নৃগোষ্ঠীয় বিবাদ আৰু ইয়াৰ কাৰণসমূহ • ৩৩
নৃপেন গগৈ • বহিৰ্জগতৰ সৈতে প্ৰাচীন অসমৰ পথ যোগাযোগ • ৩৯
মৃদুলা দাস • 'হৰিবিলাস আগৰৱালাৰ ডায়েৰী'ৰ পাতৰ পৰা • ৪৫
প্ৰাণজিৎ বৰা • নৰকান্ত বৰুৱাৰ অনুবাদ-সাহিত্য • ৪৭
ড° মুক্তিকাম হাজৰিকা, ড° অঞ্জুমন বৰা, ড° জয়া চক্ৰৱৰ্তী • যোগাযোগ-প্ৰযুক্তি আৰু গান্ধীবাদৰ প্ৰাসংগিকতা • ৫৫
ড° ভৱেশ দাস • প্ৰাচীন কালত নৰবলি • ৫৯
ইমৰান হুছেইন • হিন্দু পুৰাণকল্পৰ মায়াময় অপশক্তি • ৬৫
উদয়ন বিশ্বাস • শিল্পৰ বোধোদয়, পৰিবেশ আৰু আমি • ৭০

**কবিতা**

অনুভৱ তুলসী, ড° পূৰ্ণ ভট্টাচাৰ্য • ৭৪
কিশোৰ বড়ো, ইন্দ্ৰনীল গায়ন • ৭৫
নীলকান্ত শইকীয়া, নীলাভ সৌৰভ, উদয় কুমাৰ শৰ্মা • ৭৬
নিবেদন দাস পাটোৱাৰী, নীলম গগৈ • ৭৭
জুবিলী গগৈ, উজ্জ্বল স্মৰণ দত্ত, ৰঞ্জিত পাটগিৰি • ৭৮



**গল্প**

পৰী পাৰবীন • বসন্তসেনা আৰু মই • ৭৯
ৰক্তিম গোস্বামী • ফ্ৰেংকো, দৌৰ... • ৮৪
গীতালি মহন্ত • হোটেল কেলিফ'ৰ্নিয়া • ৮৭

Scanned with CamScanner



# বহিৰ্জগতৰ সৈতে প্ৰাচীন অসমৰ পথ যোগাযোগ

ভূপেন গগৈ

পাঁচখন ৰাষ্ট্ৰৰ সীমান্তত অৱস্থিত ভাৰতৰ উত্তৰ-পূব অঞ্চলটো দূৰ অতীতৰে-পৰা এক বৃহত্তৰ মহাদেশীয় অঞ্চলৰ পথ যোগাযোগৰ প্ৰধান মাধ্যম যে আছিল সেই সম্পৰ্কত অনেক নিৰ্ভৰযোগ্য সূত্ৰ পোৱা যায়। ভৌগোলিকভাৱে ভাৰত উপমহাদেশ আৰু বৃহত্তৰ দক্ষি-পূব এছিয়াৰ মাজত যাতায়াতৰ ক্ষেত্ৰত প্ৰধান সংযোগস্থল আছিল অসম তথা উত্তৰ-পূৰ্বাঞ্চল। দক্ষিণ-পূব এছিয়াৰ পৰা ভাৰতভূমিলৈ অহাৰ বাবে বিস্তৃৰ্ণ বনাঅঞ্চল আৰু দুৰ্লংঘ্য পৰ্বত-কন্দৰে জুৰি থকা অৱস্থাত ব্ৰহ্মপুত্ৰ উপত্যকাই হৈ পৰিছিল অনিবাৰ্য সংযোগী পথ। খ্ৰীষ্টপূৰ্বৰে পৰা দক্ষিণ চীনকে ধৰি বিভিন্ন অঞ্চলৰ ৰেচম কাপোৰৰ ব্যৱসায়ীসকলে অসমৰ মাজেদিয়েই ভাৰত আৰু তাৰ পৰা ক্ৰমে ঃ আৰব আৰু পুৰণি ৰোমা, গ্ৰীছ আদি দেশলৈ বাণিজ্যৰ বাবে যাতায়াত কৰিছিল। উত্তৰ দিশৰ সুউচ্চ হিমালয় পৰ্বত দুৰ্লংঘ্য হোৱাত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জল আৰু থল— উভয় মাধ্যমেদিয়েই পথ যোগাযোগ সম্ভৱ হৈ উঠিছিল।

মন কৰিবলগীয়া যে এই পথবোৰ কোন সময়ৰ পৰা ব্যৱহাৰ হৈছিল আৰু কাৰ দ্বাৰা সূচনা হৈছিল সেই কথা অজ্ঞাত। সাধাৰণতে প্ৰথমাৱস্থাত বনৰীয়া জীৱ-জন্তুৱে অহা-যোৱা কৰা অৰণ্যৰ মাজৰ লুংলুঙীয়া বাট, নদ-নদীৰ পাৰৰ পাতলীয়া হাবি, গিৰিপথ আদিৰ সুবিধাজনক ঠাইবোৰেদিয়েই পৰিভ্ৰমী মানুহে এঠাইৰ পৰা আন ঠাইলৈ যাতায়ত কৰিব লগা হৈছিল। প্ৰাগৈতিহাসিক কালৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা বিভিন্ন নৃগোষ্ঠীসমূহে কেনে দুৰ্গম যাত্ৰা কৰিব লগা হৈছিল ভাবিলে আচৰিত লাগে।



Scanned with CamScanner